অধ্যায় ৯ ঃ প্রাকৃত আৰু অপভ্রংশ ভাষাৰ সাধাৰণ বৈশিষ্ট্য

অধ্যায় গাঁথনি

9.1 উদ্দেশ্য

9.2 পৰিচয়

9.3 প্রাকৃত ভাষা বা সাহিত্যিক প্রাকৃত

9.3.1 সাহিত্যিক প্রাকৃত ভাষাৰ সাধাৰণ বৈশিষ্ট্য

9.4 অপভ্রংশ-অৱহট্‌ঠ ভাষা

9.4.1 অপভ্রংশ ভাষাৰ সাধাৰণ বৈশিষ্ট্য

9.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

9.6 অধিক জানিবলৈ

9.7 অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

9.8 আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মধ্য ভাৰতীয় আর্য ভাষাৰ দ্বিতীয় স্তৰ অর্থাৎ সাহিত্যিক প্রাকৃত স্তৰটোৰ বিষয়ে জানিব পাৰিব।
- সাহিত্যিক প্রাকৃত, যেনে— মাহাৰাষ্ট্রী, শৌৰসেনী, পৈশাচী, অর্ধ-মাগধী আৰু মাগধী প্রাকৃতৰ পৰিচয় আগবঢ়াব পাৰিব।
- সাহিত্যিক প্রাকৃতৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- মধ্য ভাৰতীয় আর্য ভাষাৰ অন্তিম স্তৰ অপভ্রংশ ভাষাৰ আলোচনা আগবঢ়াব পাৰিব।
- অপভ্রংশ স্তৰৰ পৰাই যে আধুনিক ভাৰতীয় ভাষাবোৰৰ বিকাশ হৈছে, সেই বিষয়ে বিশ্লেষণ কৰিব পাৰিব।
- অপভ্রংশ ভাষাৰ সাধাৰণ বৈশিষ্ট্যসমূহ ফঁহিয়াই দেখুৱাব পাৰিব।

৯.২ পৰিচয়

ভাৰতীয় আর্য ভাষাৰ ঐতিহাসিক বিকাশৰ এটা গুৰুত্বপূর্ণ স্তৰ হ'ল মধ্য ভাৰতীয় আর্য ভাষা। সেই ফালৰ পৰা এই পাঠ্য বিষয়ৰ সপ্তম আৰু অষ্টম অধ্যায়ৰ লগতে এই বিশেষ অধ্যায়টো, অর্থাৎ নৱম অধ্যায়টোৰ গুৰুত্ব অনস্বীকার্য। এই অধ্যায়ত আমি সাহিত্যিক প্রাকৃতসমূহ আৰু তাৰ পৰৱর্তী অপভ্রংশ ভাষাৰ বিষয়ে আলোচনা কৰিম। আপুনি পূর্বৱর্তী অধ্যায়সমুহৰ পৰা ইতিমধ্যে অৱগত হৈছে যে, আধুনিক ভাৰতীয় আর্য ভাষাসমূহ এই প্রাকৃত-অপভ্রংশৰ পৰাই

উদ্ভৱ, বিকাশ আৰু প্রসাৰ লাভ কৰিছে। আহকচোন, আমি তলত সন্নিৱিষ্ট আলোচনাৰ পৰা সেই বিষয়ে কিছু অৱগত হওঁ।

৯.৩ প্রাকৃত ভাষা বা সাহিত্যিক প্রাকৃতসমূহ

'প্রাকৃত' বুলিলে খ্রীষ্ট পূর্ব ষষ্ঠ শতিকাৰ পৰা খ্রীষ্টিয় দশম শতিকা পর্যন্ত সমগ্র মধ্য ভাৰতীয় আর্যভাষাৰ যুগটোক বুজায় যদিও প্রকৃততে এই নামটো মধ্য ভাৰতীয় আর্যভাষাৰ দ্বিতীয় স্তৰ, অর্থাৎ সাহিত্যিক প্রাকৃতৰ স্তৰটোক বুজাবলৈহে বিশেষভাৱে ব্যৱহাৰ কৰা হয়। এই প্রসঙ্গত R. Pischel-এ তেওঁৰ A Grammar of the Prakrit Language গ্রন্থত এনেদৰে মন্তব্য কৰিছে— "By the term Prakrit, the Indian grammrians and rhetoricians comprehended a multitude of literaray languages." খ্রীষ্টিয় প্রথম শতিকামানৰ পৰা সংস্কৃত নাটকৰ সংলাপ ৰচনাত চৰিত্র অনুযায়ী বিভিন্ন প্রাকৃতৰ প্রয়োগ হোৱাটোও এই প্রসংগত উল্লেখযোগ্য।

পালি ভাষাৰ আলোচনাৰ প্রসঙ্গত আপুনি ইতিপূর্বে অৱগত হৈছে যে, খ্রীঃ পূঃ শতিকাতে ভাৰতৰ বিভিন্ন অঞ্চলত আর্য ভাষাৰ কেইটামান স্পষ্ট আঞ্চলিক ভাষাৰূপ গঢ় লৈ উঠিছিল। অশোকৰ অনুশাসনসমূহৰ ভাষাত তাৰ নিদর্শন পোৱা যায়। খ্রীষ্টীয় তৃতীয় শতিকামানত এই আঞ্চলিক ৰূপবোৰৰ পৰা স্বকীয় বৈশিষ্ট্যসম্পন্ন বিভিন্ন প্রাকৃত ভাষাৰ উদ্ভৱ হয় আৰু সেইবোৰ ভিন ভিন নামেৰে পৰিচিত হয়। এই ভাষাবোৰৰ কথ্য ৰূপবোৰৰ সমান্তৰালভাৱে একোটাহঁত সাধুৰূপো সাহিত্য-কর্মত ব্যৱহাৰ হ'বলৈ লয়। এই সাহিত্যৰাজিৰ মাজেদিয়ে প্রাকৃত ভাষাবোৰ আজিও সংৰক্ষিত হৈ আছে। সেয়ে এই স্তৰটোক 'সাহিত্যিক-প্রাকৃত'ৰ স্তৰ বোলা হৈছে।

সাহিত্যৰ মাজত প্রাপ্ত এই প্রাকৃত ভাষাসমূহ জনসাধাৰণৰ মুখৰ জীৱন্ত ভাষা নহয়। প্রকৃততে, তৎকালীনভাৱে কথিত এই ভাষাবোৰৰ আঞ্চলিক বৈচিত্র্যৰ ওপৰত ভিত্তি কৰিহে সাহিত্যিক প্রাকৃত ভাষাবোৰৰ বিকাশ ঘটিছিল। ইতিমধ্যে উল্লেখ কৰি আহিছোঁ যে সংস্কৃত নাটসমূহত এনে ভাষাৰূপ সামাজিক স্তৰ ভেদে নাট্য-চৰিত্রৰ সংলাপ হিচাপে ব্যৱহাৰ কৰা হৈছিল; যেনে— শিক্ষিতা নাৰী, বিদূষক বা শিক্ষিত পুৰুষ আদি মধ্যম পর্যায়ৰ চৰিত্রৰ মুখত শৌৰসেনী, অশিক্ষিত তথা নিম্ন শ্রেণীৰ চৰিত্রৰ মুখত মাগধী আৰু গীত আৰু কবিতাৰ ভাষাৰূপে মাহাৰাষ্ট্রী প্রাকৃতৰ প্রয়োগ হৈছিল। বাস্তৱিকতে আঞ্চলিক ভেদৰ বাহিৰে সমাজ জীৱনত বাগ্-ব্যৱহাৰৰ এনে ভিন্নতা দেখা নাযায়। সংস্কৃতজ্ঞ প্রাকৃত-ব্যাকৰণবিদসকলে লৌকিক ৰূপত প্রচলিত ভাষাৰূপবোৰক সংস্কৃত ব্যাকৰণৰ আদর্শেৰে পৰিমার্জিত ৰূপত গঢ় দি লৈছিল আৰু তাক সাহিত্যত প্রয়োগ কৰিছিল। ফলত সাহিত্যিক-প্রাকৃতসমূহে কথ্যধর্মী গুণ বহুখিনি হেৰুৱাই কৃত্রিম সাধুভাষাৰূপে আত্মপ্রকাশ কৰিছিল। এনে ৰীতিধর্মী (stylised) হৈ পৰা বাবেই প্রায় পাঁচশ-ছশ বছৰ ধৰি সাহিত্যিক-প্রাকৃত ভাষাবোৰ বিকাশবিহীনভাৱে সাহিত্যত ব্যৱহাৰ হৈ আহিছিল। অৱশ্যে, সাহিত্যিক প্রাকৃতসমূহৰ নামকৰণত ভৌগোলিক অৱস্থিতিৰ পৰিচয় আৰু সাহিত্যিক নিদর্শনসমূহত অলেখ দেশী-বিদেশী শব্দৰ পয়োভৰ লক্ষ্য কৰা যায়। এই দুটা কথাই সাহিত্যিক-প্রাকৃতৰ লৌকিক ভিত্তি প্রতিপন্ন কৰে।

সাহিত্যিক-প্রাকৃত প্রধানতঃ পাঁচটা। সেইকেইটা তলত উল্লেখ কৰা হ'ল—

- মাহাৰাষ্ট্রী প্রাকৃত,
- শৌৰসেনী প্রাকৃত,
- পৈশাচী প্রাকৃত,
- অর্ধ-মাগধী, আৰু
- মাগধী প্রাকৃত।

- **মাহাৰাষ্ট্রী প্রাকৃত ঃ**

সাহিত্যিক-প্রাকৃতসমূহৰ ভিতৰত মাহাৰাষ্ট্রী-প্রাকৃতকে শ্রেষ্ঠ বুলি বিবেচনা কৰা হয়। 'কাব্যাদর্শ'ৰ ৰচক, আলংকাৰিক আচার্য দণ্ডীৰ মতে, "মহাৰাষ্ট্রাশ্রয়াং ভাষাং প্রকৃষ্টং প্রাকৃতং বিদুঃ।" এনে শ্রেষ্ঠত্বৰবাবেই এই প্রাকৃতৰ প্রয়োগ অকল সংস্কৃত নাটকৰ গীতৰ ভাষাতেই সীমাবদ্ধ নাছিল; বৰং পূর্ণাঙ্গ সাহিত্য ৰচনাৰ মাধ্যম হিচাপেও ইয়াৰ ব্যাপক প্রয়োগ ঘটিছিল। খ্রীষ্টীয় তৃতীয় শতিকাৰ সাতবাহন নৃপতি হালৰ দ্বাৰা সংকলিত 'গাহাসত্তসঈ', প্রৰৰসেনৰ 'সেতুবন্ধ' , বাকপতিৰাজৰ 'গউড়বহো' আদি কাব্য মাহাৰাষ্ট্রী প্রাকৃততে ৰচনা কৰা হৈছিল। গোদাবৰী নদীৰ তীৰৱর্তী অঞ্চলৰ পৰা মহাৰাষ্ট্র-ৰাজস্থানলৈ বিস্তৃত বিশাল ভূখণ্ডত প্রচলিত পশ্চিমা কথ্য প্রাকৃতৰ আধাৰতে মাহাৰাষ্ট্রী প্রাকৃতৰ বিকাশ হয়। স্বৰ-বহুলতা এই প্রাকৃতৰ মনকৰিবলগীয়া বৈশিষ্ট্য। Pischel-এ তেওঁৰ গ্রন্থত লিখিছে— "No other dialect has been phonetically modified to such an extent for ornate purposes..... It was admitted long ago that its sound system was essentially determined by the fact that Maharastri, above all, was used for musical stanzas." সেই বাবে উদ্ভৱ কালৰে পৰা মাহাৰাষ্ট্রী-প্রাকৃতত অলেখ গীতি-কবিতা ৰচিত হৈছিল। এই প্রাকৃতৰ প্রধান বৈশিষ্ট্যসমূহ হ'ল—

- স্বৰমধ্যৱর্তী অল্পপ্রাণ একক ব্যঞ্জনৰ লোপ, যেনে— প্রাকৃত > পাউঅ; আনহাতে, মহাপ্রাণ একক ব্যঞ্জনৰ 'হ'-লৈ ৰূপান্তৰ, যেনে— সখী > সহী, মেঘ > মেহ।
- শ, স, ষ > স, যেনে— মনুষ্য > মানুস, দৃশ্যসে > দীসসে।
- স্বৰমধ্যৱর্তী শ, স, ষ > হ, যেনে— দশ > দহ, দিৱস > দিঅহ, পাষণ > পাহাণ।
- ক্ষ > চ্ছ বা ছ, যেনে—অক্ষি > অচ্ছি, ক্ষণ > ছণ।
- প্রাচীন ভাৰতীয় আর্যভাষাৰ 'ত্ম' মহাৰাষ্ট্রী প্রাকৃতত 'প্প' হয়, যেনে— আত্মন্ > অপ্পা
- শব্দৰূপৰ ক্ষেত্রত পঞ্চমীৰ একবচনত— '-আত্ত' আৰু '-আহি' বিভক্তিৰ ব্যৱহাৰ।
- সপ্তমীৰ একবচনত সর্বনামৰ বিভক্তি '-স্মিন' মহাৰাষ্ট্রীত '-ম্মি' হয়। অন্য প্রাকৃতত '- মহি' বা '-ংসি' হয়।

- **শৌৰসেনী প্রাকৃত ঃ**

প্রাচীন শূৰসেন (বর্তমান দিল্লী-মথুৰা-মীৰাট) ৰাজ্যত প্রচলিত কথ্য প্রাকৃতৰ আধাৰত শৌৰসেনী সাহিত্যিক প্রাকৃতৰ বিকাশ হয়। অন্য প্রাকৃতৰ তুলনাত এই প্রাকৃতত সংস্কৃত ভাষাৰ প্রভাৱ আটাইতকৈ বেছি। এনে কাৰণতে সংস্কৃত নাটকত এই প্রাকৃত

মন্ত্রী, সেনাপতি আদি মধ্যম শ্রেণীৰ চৰিত্রৰ সংলাপ হিচাপে ব্যৱহৃত হৈছিল। এই প্রাকৃতৰ প্রধান বৈশিষ্ট্যসমূহ হ'ল—

- প্রাচীন ভাৰতীয় আর্যভাষাৰ স্বৰমধ্যৱর্তী 'ত' 'থ' ক্রমে 'দ' আৰু 'ধ'-ত পৰিণত হয়— কৃত > কদ (মহাৰাষ্ট্রীত - কঅ), প্রাকৃত >পাউদ, ভৱতি > হোদি ইত্যাদি।
- ক্ষ > ক্খ, যেনে— ইক্ষু > ইক্খু, প্রেক্ষ্য > পেক্খিঅ।
- র্য > জ্জ/য্য, যেনে— সূর্য্য > সূজ্জ/সুয্য।
- স্থ > ট্ঠ, ত্ম > ত্ত, যেনে— হৃদয়স্থিত > হিঅঅট্ঠিদো, আত্ম > অত্ত।
- সংস্কৃতৰ বহু শব্দৰ অপৰিৱর্তনীয়ভাৱে ব্যৱহাৰ।
- শব্দৰূপৰ ক্ষেত্রত সপ্তমীৰ একবচনৰ বিভক্ত '-স্মিন' > ম্হি, কেতিয়াবা '-স্সিং' হয়, যেনে— সর্বস্মিন্ > সব্বম্হি, সব্বস্সিং।

- **মাগধী প্রাকৃত ঃ**

প্রাচীন মগধ (দক্ষিণ বিহাৰ) অঞ্চলত প্রচলিত প্রাচ্য-উপভাষাৰ ভিত্তিত মাগধী প্রাকৃতৰ বিকাশ হৈছিল। মৌর্য সম্রাট অশোকৰ শিলানুশাসনৰ প্রাচ্য উপভাষাৰ পৰাই মাগধী প্রাকৃতৰ উদ্ভৱ হৈছে। এইজনা সম্রাটৰ দিনত মগধৰ সমাজ-সংস্কৃতিয়ে এক সুকীয়া পৰিচয় লাভ কৰিবলৈ সমর্থ হৈছিল। মাগধী প্রাকৃতৰ সাহিত্যিক ৰূপটো সংস্কৃত নাটকত সমাজৰ অধঃস্তৰৰ চৰিত্রৰ সংলাপ হিচাপে আৰু হাস্যৰস সৃষ্টিৰ বাবে ব্যৱহৃত হৈছিল।

অন্য প্রাকৃতৰ তুলনাত মাগধীৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য আৰু শব্দ-সাধনৰ প্রক্রিয়া বহু পৰিমানে পৃথক চৰিত্রৰ। পূব ভাৰতৰ বিশাল ভূখণ্ড জুৰি আর্য-সংস্কৃতি আৰু সংস্কৃত ভাষাৰ প্রভাৱ উত্তৰ-পশ্চিম অঞ্চলতকৈ কিছু কম হোৱাটোৱেই তাৰ প্রধান কাৰণ। এই অঞ্চলটোত বসবাস কৰা অনা-আর্য ভাষাৰ প্রভাৱে মাগধী প্রাকৃতৰ এনে সুকীয়া চৰিত্র গঢ় লৈ উঠাত সহায় কৰিছিল। এনে কাৰণতে প্রাকৃত ভাষাসমূহৰ ভিতৰত মাগধী প্রাকৃতক আটাইতকৈ বিকৃতিপ্রাপ্ত ভাষা বুলি ধৰা হৈছিল। মাগধী প্রাকৃতৰ প্রধান বৈশিষ্ট্য কেইটিমান তলত উল্লেখ কৰা হ'ল—

- শ, ষ, স —এই তিনিটা উষ্মধ্বনিৰ ভিতৰত মাগধীত কেৱল 'শ'-ৰ ব্যৱহাৰ পোৱা যায়, যেনে— দিৱস > দিঅশ, সুৰা > শুলা ইত্যাদি।
- ৰ > ল, যেনে— ৰাজ্ঞা > লঞ্ঞা ; ৰোহিত > লোহিদ।
- জ > য, যেনে— জীৱিত > যীৱিদ, জানাতি > যাণাতি।
- সংযুক্ত ব্যঞ্জনৰ কেতিয়াবা সমীভৱন হয়, যেনে— অদ্য > অয্য, প্রজ্ঞা > পঞ্ঞা। কেতিয়াবা সংযুক্ত ব্যঞ্জন ৰক্ষিত হয়, যেনে— পশ্চাৎ > পশ্চা, স্ফুৰতি > স্ফুলতি; কেতিয়াবা অনিয়মিতভাৱে সলনি হয়, যেনে— গচ্ছতি > গশ্চদি, ভর্তৃক > ভষ্টক)।
- শব্দৰূপৰ ক্ষেত্রত পদান্ত অ-কাৰান্ত বিসর্গ 'এ'-কাৰত পৰিণত হয়, যেনে— নৰঃ > ণলে, এষঃ > এশে।
- ক্ষ > শ্ক, যেনে— প্রেক্ষ > পেশ্ক।

- জ্ঞ, ঞ্জ, ন্য, ণ্য > এঞ্এঞ, যেনে—ৰাজ্ঞা > লএঞ্এঞা, অঞ্জলি > অএঞ্এঞলী, কন্যা > কএঞ্এঞা, পুণ্য >পুএঞ্এঞ ইত্যাদি।
- সম্বোধনত অ-কাৰন্ত শব্দ আ-কাৰন্ত হয়। যেনে— হে পুৰুষ > হে পুলিশা।
- ধাতুৰ্দপৰ ক্ষেত্ৰত কৃ, গম, মৃ ধাতুৰ পাছৰ 'ক্ত' প্ৰত্যয়ৰ ঠাইত '-ড' হয়। যেনে— কৃতঃ > কডে ; গতঃ > গডে।

- **অর্ধ-মাগধী ঃ**

অর্ধ-মাগধী প্ৰাকৃতৰ ব্যৱহাৰ মূলতঃ জৈন সাহিত্যৰ মাজতে সীমাবদ্ধ আছিল। সেই বাবে পণ্ডিত যেকোবি (Jacobi)-এ ইয়াক 'জৈন-প্ৰাকৃত' আখ্যা দিছে। অশোকৰ অনুশাসনৰ প্ৰাচ্য-মধ্যা উপভাষা হৈছে অর্ধ-মাগধী প্ৰাকৃতৰ মূল ভেঁটি স্বৰূপ। এই প্ৰাকৃতৰ সাহিত্যিক ৰূপটো উত্তৰ ভাৰতৰ অযোধ্যা-কোশল (বৰ্তমানৰ লক্ষ্ণৌ-অৱধ-অযোধ্যা) অঞ্চলৰ কথ্য প্ৰাকৃতৰ আধাৰত গঢ় লৈ উঠিছিল। ভৌগোলিকভাৱে অর্ধ-মাগধী ভাষাকেন্দ্ৰ শৌৰসেনী আৰু মাগধীৰ মধ্যৱৰ্তী হোৱাৰ বাবে এই দুই প্ৰাকৃতৰ লক্ষণ তথা প্ৰভাৱ অর্ধ-মাগধীৰ মাজত দেখা যায়। এই প্ৰাকৃতৰ প্ৰধান বৈশিষ্ট্য কেইটিমান এনে ধৰণৰ—

- এই প্ৰাকৃতত 'ৰ' ধ্বনি ৰক্ষিত হয় আৰু কেতিয়াবা মাগধীৰ দৰে 'ল'-লৈ পৰিৱৰ্তিত হয়, যেনে— দাৰুণ > দাৰুণ, দালুণ।
- স্বৰমধ্যৱৰ্তী একক ব্যঞ্জন লোপ পায় আৰু তাৰ ঠাইত 'য়' শ্ৰুতি ধ্বনিৰ আগম, যেনে— সকল > সয়ল, নগৰ > নয়ৰ।
- 'ণ' আৰু 'ন' দুয়োটাৰে ব্যৱহাৰ পোৱা যায়, যেনে— নদী > ণঈ, নঈ।
- পদান্তত থকা বিসৰ্গযুক্ত অ-কাৰ (-অঃ) কেতিয়াবা 'এ' আৰু কেতিয়াবা 'ও' হয়, যেনে—জনঃ > জণে, জণো।

- **পৈশাচী ঃ**

পৈশাচী প্ৰাকৃতৰ বিশেষ কোনো লিখিত নিদৰ্শন পোৱা নাযায়। এই ক্ষেত্ৰত প্ৰাকৃত বৈয়াকৰণ আৰু আলঙ্কাৰিকসকলৰ যৎ কিঞ্চিৎ উল্লেখ আৰু উদ্ধৃতিয়েই একমাত্ৰ অৱলম্বন। খ্ৰীষ্টীয় প্ৰথম বা দ্বিতীয় শতিকামানত গুণাঢ্য নামৰ কথাকাৰ এগৰাকীয়ে বড্ডকহা (বৃহৎকথা) নামৰ এখন আখ্যানমূলক গ্ৰন্থ এই প্ৰাকৃতত ৰচনা কৰিছিল বুলি বুলি জনা যায় যদিও, গ্ৰন্থখন আজিকোপতি উদ্ধাৰ হোৱা নাই। এই গ্ৰন্থৰ কথা পৰৱৰ্তী সংস্কৃত সাহিত্য—আৰ্যক্ষেমীশ্বৰৰ 'বৃহৎকথাশ্লোকসংগ্ৰহ', ক্ষেমেন্দ্ৰৰ 'বৃহৎকথামঞ্জৰী' আৰু সোমদেৱৰ 'কথাসৰিৎসাগৰ'-ৰ পৰাহে জানিবলৈ পোৱা যায়। এইবোৰৰ মাজত গুণাঢ্যৰ মূল গ্ৰন্থখনৰ কাহিনীবোৰ সংৰক্ষিত হৈ আছে।

সুকুমাৰ সেনৰ মতে, অশোকৰ প্ৰত্নলিপিৰ উত্তৰ-পশ্চিমা বা গান্ধাৰী প্ৰাকৃতৰ সৈতে পৈশাচী প্ৰাকৃতৰ যথেষ্ট মিল আছে। এই প্ৰাকৃতক পৈশাচীৰ উপৰি ব্যাকৰণবিদসকলে 'পৈশাচিক', ভূত ভাষা আদি নামেৰেও নামকৰণ কৰিছে। এনে নামকৰণৰ মূলতে আৰ্য সংস্কৃতিৰ মূল ভূখণ্ড 'মধ্যদেশ'-ৰ আৰ্যসকলৰ আৰ্য-অহমিকাই ক্ৰিয়া কৰিছিল। কাৰণ,

উত্তৰ-পশ্চিমা অঞ্চলটো খ্ৰীষ্ট পূৰ্ব ষষ্ঠ শতিকামানৰ পৰাই পাৰস্য দেশৰ দ্বাৰা অধিকৃত হৈ আছিল। ফলত তাত পাৰছীয় ভাষা-সংস্কৃতিৰ প্ৰভাৱ গভীৰভাৱে পৰি বৈদিক আৰ্য সংস্কৃতিৰ পৰা বিচ্ছিন্ন হৈ পৰিছিল।

পৈশাচী প্ৰাকৃতৰ কেইটামান প্ৰধান বৈশিষ্ট্য হ'ল—

- স্বৰমধ্যৱৰ্তী সঘোষ ব্যঞ্জনৰ অঘোষীভৱন, যেনে— গগন > গকন, ৰাজা > ৰাচা, ভগৱতী > ফকৱতী ইত্যাদি।
- স্বৰমধ্যৱৰ্তী একক স্পৰ্শ ব্যঞ্জনৰ অলোপ, যেনে— নগৰ > নকৰ, মেঘ > মেখ ইত্যাদি।
- ণ > ন, ৰ > ল, যেনে— তৰুণী > তলুনী।
- শ, ষ > স, যেনে—শীল > সিল, বিষম > বিসম।
- পদান্ত অ-কাৰন্ত বিসৰ্গ 'ও' লৈ পৰিৱৰ্তন, যেনে— মেঘঃ > মেঘো।
- জ্ঞ, ন্য > ঞ্ঞ, যেনে—বিজ্ঞাত > বিঞ্ঞাত, কন্যা > কঞ্ঞা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সাহিত্যিক প্ৰাকৃত মানে কি? সাহিত্যিক প্ৰাকৃত প্ৰধানতঃ কেইটা আৰু কি কি? প্ৰত্যেকৰে প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰক। (150টা শব্দৰ ভিতৰত)

.....



চিন্তা-চৰ্চা কৰক ৯.১

সাহিত্যিক প্ৰাকৃতৰ অন্তৰ্গত যিকোনো এটা প্ৰাকৃতত লিখা সাহিত্যৰ ভাষাতাত্ত্বিক মূল্যায়ন আগবঢ়াওক।

৯.৩.১ সাহিত্যিক প্ৰাকৃত ভাষাৰ সাধাৰণ বৈশিষ্ট্য

পুৰ্বৱৰ্তী শিতানত মুঠ পাঁচটা সাহিত্যিক প্ৰাকৃতৰ একোটাহঁত আলোচনা দাঙি ধৰা হ'ল। আপুনি নিশ্চয় বুজিব পাৰিছে যে, আলোচ্য সাহিত্যিক প্ৰাকৃতসমূহৰ মাজত পাৰ্থক্যতকৈ সাদৃশ্যহে অধিক। অৰ্থাৎ, এই সাহিত্যিক-প্ৰাকৃতসমূহৰ আটাইবোৰ কেতবোৰ সাধাৰণ বৈশিষ্ট্যৰে পাৰস্পৰিকভাৱে সম্পৰ্কিত। তলত আটাইবোৰ প্ৰাকৃতৰ উমৈহতীয়া বৈশিষ্ট্যসমূহৰ এটি আলোচনা দাঙি ধৰা হৈছে—

ধ্বনিতত্ত্ব ঃ

- প্ৰাকৃতত স্বৰবৰ্ণৰ সংখ্যা 8 টা -- অ, আ, ই, ঈ, উ, ঊ, এ আৰু ও। বৈদিক-

সংস্কৃততে বিৰল ঋ, ৯[9]-ৰ ব্যৱহাৰ প্ৰাকৃতত সমূলি লোপ পালে। ঋ-কাৰ বিভিন্ন স্বৰলৈ বা স্বৰযুক্ত ৰ-লৈ ৰূপান্তৰিত হ'ল, যেনে—

ঋ > অ ঃ কৃত > কঅ, কদ;

ঋ > ই ঃ হৃদয় > হিঅঅ;

ঋ > এ ঃ গৃহ > গেহ;

ঋ > উ ঃ ঋতু > উতু;

ঋ > ৰ ঃ বৃক্ষ > ব্ৰচ্ছ ঋণ ৰিণ; বৃক্ষ > ৰুক্খ ইত্যাদি।

- ঐ > এ আৰু ঔ > ও হ'ল, যেনে—

  ঐ > এ — শৈল > সেল, বৈৰ > বেৰ;

  ঔ > ও — যৌৱন > জোব্বণ

  সংযুক্ত ব্যঞ্জনৰ পূৰ্বৱৰ্তী ঐ > ই আৰু ঔ > উ হ'ল, যেনে—

  ঐ > ই ঃ সৈন্ধৱ > সিন্ধৱ,

  ঔ > উ ঃ মৌক্তিকম্ > মুত্তিঅং।

  কেতিয়াবা ঐ > অই আৰু ঔ > অউ হোৱাও দেখা গ'ল, যেনে—

  ঐ > অই ঃ কৈতৱ > কইঅৱ,

  ঔ > অউ ঃ যৌৱন ঃ জউঅণ।

- 'অয়' আৰু 'অৱ' দ্ব্যক্ষৰ ধ্বনি দুটা ক্ৰমে 'এ' আৰু 'ও'-ত পৰিণত হ'ল, যেনে—

  অয় > এ ঃ নয়তি > ণেই,

  অৱ > ও ঃ লৱণ > লোণ।

- তদুপৰি বিভিন্ন স্বৰৰ অনিয়মিত ধৰণে পৰিৱৰ্তন ঘটিল, যেনে—

  অ > ই, আ, এ; আ > অ, ই ; ই > অ, উ, ও ইত্যাদি।

- অনুস্বাৰ আৰু সংযুক্ত ব্যঞ্জনৰ পূৰ্বৱৰ্তী দীৰ্ঘস্বৰ হ্ৰস্ব হ'ল, যেনে—

  কাব্য > কব্ব,

  পুত্রানাং > পুত্তণং।

- অনুস্বাৰ লুপ্ত হ'লে পূৰ্বৱৰ্তী হ্ৰস্বস্বৰ দীৰ্ঘ হয়, যেনে— বিংসত > বীসা।

- শৌৰসেনীৰ বাহিৰে স্বৰমধ্যৱৰ্তী ক, গ, চ, জ, ত, দ, প আদি অল্পপ্ৰাণ ধ্বনি আনবোৰ প্ৰাকৃতত লোপ পালে,

  যেনে— নদী > ণঈ, শচী > সঈ, ৰজত > ৰজঅ।

- স্বৰমধ্যৱৰ্তী মহাপ্ৰাণ ধ্বনি পৈশাচীৰ বাহিৰে আনবোৰ প্ৰাকৃতত 'হ' লৈ পৰিণত হয়,

  যেনে - শাখা > সাহা, নাথ > নাহ, মুখ > মুহ ইত্যাদি।

- পৈশাচী আৰু অৰ্ধ-মাগধীৰ বাহিৰে আন তিনিটা প্ৰাকৃতত 'ন' > 'ণ' হ'ল,

  যেনে—নদী > ণঈ।

- মাগধীৰ বাহিৰে অন্য প্ৰাকৃতত য > জ হয়, যেনে—যোগ্য জোগ্গ।

- শ, ষ, স মাগধীৰ বাহিৰে আন প্রাকৃতত স্স হয়। মাগধীত শ হয়, যেনে—মনুষ্য > মানুস, শিষ্য > সিস্স; কিন্তু এষ > এশ, পুৰষ > পুলিশ (মাগধী)।
- মাগধী আৰু পৈশাচীত 'ৰ' ধ্বনি 'ল' লৈ পৰিণত হয়, আন প্রাকৃতত নহয়, যেনে— কৰোমি > কলেমি, ৰাজ্ঞা > লঞ্ঞা (মাগধী); তৰুণী > তলুণী (পৈশাচী)।
- পদান্ত '-অঃ' > ও হয় (মাগধীত কিন্তু -অঃ > এ হয়), যেনে— পুত্রঃ > পুত্তো, কিন্তু এষঃ > এশে (মাগধী)।
- আদি অৱস্থানৰ সংযুক্ত ব্যঞ্জন কেতিয়াবা স্বৰাগম, কেতিয়াবা স্বৰভক্তি বা কেতিয়াবা এটা ব্যঞ্জন লোপ হৈ একক ব্যঞ্জনলৈ ৰূপান্তৰিত হয়, যেনে— গ্রাম > গাম, ম্লান > মিলাণ, দুগ্ধ > দুদ্ধ।
- মধ্যস্থানৰ সংযুক্ত ব্যঞ্জনৰ প্রায়েই সমীভৱন হয়, কেতিয়াবা স্বৰভক্তি, অপিনিহিতিৰ দ্বাৰাও সৰল হয়। যেনে— শব্দ > সদ্দ, যুক্ত > জুত্ত, কর্ম > কম্ম, পুষ্প > পুপফ, বর্গ > বগ্গ ইত্যাদি।
- সমীভৱনৰ ক্ষেত্রত উষ্ম, নাসিক্য বা স্পর্শ ব্যঞ্জন অনুসৰি ধ্বনিৰ মহাপ্রাণীভৱন, অল্পপ্রাণীভৱন, ঘোষীভৱন আদিও ঘটে।
- স্বৰভক্তিৰ ক্ষেত্রতো কেতবোৰ সুকীয়া বৈশিষ্ট্য চকুত পৰে। যেনে-- কেতিয়াবা অ, ই, উ স্বৰ আগম হয, যেনে—

  ৰত্ন > ৰঅণ (অ-ৰ আগম),
  হর্ষ > হৰিস (ই-ৰ আগম),
  পদ্ম > পউম (উ-ৰ আগম) ইত্যাদি।

- 'ক্ষ' ধ্বনিৰ পৰিৱর্তন প্রাকৃত অনুযায়ী ভিন ভিন হোৱা দেখা যায়, যেনে—

  ক্ষ > ছ, চ্ছ ঃ অক্ষি > অচ্ছি (মহাৰাষ্ট্রী),
  ক্ষ > ক্খ ঃ চক্ষু > চক্খু (শৌৰসেনী),
  ক্ষ > শ্ক ঃ প্রেক্ষ > পেশ্ক (মাগধী)।

সন্ধি ঃ

প্রাকৃত ভাষাৰ সন্ধি তেনেই সৰল হ'ল। দুটা স্বৰৰ মাজৰ অল্পপ্রাণ ধ্বনিবোৰৰ লোপ হোৱাটেৰেই তাৰ মূল কাৰণ। অৱশ্যে সংস্কৃততে সন্ধি হৈ অহা শব্দ প্রাকৃতত সামান্য পৰিৱর্তন হৈ ৰক্ষিত হৈছে। যেনে—

মহা ÙÂ উৎসৱ > মহূসৱ,
ৰাজ ÙÂ ঋষি¿Ý>ৰাএসি,
একং ÙÂ একং > একমেকং,
ভূ ÙÂ তব্য > হোঅব্ব, হোদব্ব।

প্রাকৃতত বিসর্গ সন্ধি সমূলি লুপ্ত হৈছে। কাৰণ, প্রাকৃতত বিসর্গৰ প্রয়োগ নাই।

শব্দৰূপ ঃ

সংস্কৃতৰ শব্দৰূপ আদি স্তৰৰ প্রাকৃত আৰু পালি ভাষাত সৰল হৈছিল। প্রাকৃতত ই অধিক সৰল হ'ল। প্রাকৃতত ব্যঞ্জনান্ত শব্দবোৰ স্বৰান্ত হোৱাৰ ফলত শব্দৰূপৰ বৈচিত্র্য হ্রাস পালে। লিংগৰ ক্ষেত্রতো দেখা গ'ল— অ-কাৰান্ত, ই-কাৰান্ত আৰু উ-কাৰান্ত শব্দবোৰ পুংলিংগবাচক হ'ল; আ-কাৰান্ত, ঈ-কাৰান্ত আৰু ঊ-কাৰান্ত শব্দবোৰ স্ত্রীলিংগবাচক হ'ল; অকল অ-কাৰান্ত শব্দবোৰহে ক্লীৱলিংগ হ'ল। আনহাতে, ই-কাৰান্ত পুংলিংগবাচক শব্দ আৰু উ-কাৰান্ত পুংলিংগবাচক শব্দৰ ৰূপ একে হৈ পৰিল। একেদৰে আ-কাৰান্ত, ঈ-কাৰান্ত আৰু ঊ-কাৰান্ত শব্দৰূপৰ পার্থক্য নোহোৱা হ'ল। এক কথাত, অধিকাংশ শব্দৰূপ অ-কাৰান্ত শব্দৰ দৰে হ'ল।

প্রাকৃতভাষাৰ শব্দ-বিভক্তিসমূহৰ তলত উল্লেখ কৰা তালিকাখনলৈ মন কৰিলে দেখিব যে 4র্থী আৰু 6ষ্ঠীৰ (দুয়োটা বচনৰে) বিভক্তি একে। তদুপৰি পালিৰ দৰে প্রাকৃততো দ্বিবচন লুপ্ত হৈছে। দ্বিবচনৰ স্থান লৈছে বহুবচনে।

শব্দৰূপৰ বিভক্তিৰ তালিকা ঃ

	একবচন	**বহুবচন**
1মা	ও, এ	আ, ণো, (ও, উ)
2য়া	ং	ণা, আ (এ, উ, ও)
3য়া	এণা (অ, আ, ই, এ)	হিং, হি (ভিং)
4র্থী	স্স (অ, এ)	ণং (ণ)
5মী	হি, ও, (আ, উ)	হিংতো, সুংতো (হি, হিং)
6ষ্ঠী	স্স; ণো (আঅ, আএ)	ণং (ণ)
7মী	ম্মি, ম্হি (এ)	সু (সুং)

ওপৰৰ তালিকাত বন্ধনীৰ ভিতৰত দিয়া বিভক্তিবোৰ হ'ল বিকল্প বিভক্তি। বৈদিক-সংস্কৃতৰ পৰা বিকাশ হৈ অহা নিয়মীয়া বিভক্তিবোৰৰ উপৰি, সেইবোৰৰ বিকল্প হিচাপে প্রাকৃতত বন্ধনীৰ ভিতৰত দিয়া বিভক্তিবোৰবো ব্যৱহাৰ দেখা গ'ল।

প্রাকৃতৰ শব্দৰূপৰ অন্য এক বৈশিষ্ট্য দেখা গ'ল যে, স্ত্রীলিংগ শব্দৰূপত 3য়া, 6ষ্ঠী, 7মীৰ ৰূপ একে হৈ পৰিল। উদাহৰণস্বৰূপে আ-কাৰান্ত (স্ত্রীলিংগ) 'মালা' শব্দৰ ৰূপ-সাধনত প্রয়োগ হোৱা ওপৰত উল্লেখ কৰা বিভক্তিবোৰ এনে ধৰণৰ--

3য়া	একবচন	মালাএ, মালাই, মালাঅ
4র্থ	একবচন	মালাএ, মালাই, মালাঅ
6ষ্ঠী	একবচন	মালাএ, মালাই, মালাঅ
7মী	একবচন	মালাএ, মালাই, মালাঅ

ধাতুৰূপ ঃ

প্রাকৃতৰ ধাতুৰূপ পালিতকৈ সৰল হ'ল যদিও ল-কাৰ আৰু গণৰ ক্ষেত্রত নিজস্ব কিছুমান বৈশিষ্ট্য গঢ় লৈ উঠিল। প্রাকৃতৰ ধাতুৰূপৰ প্রধান বৈশিষ্ট্যবোৰ এনে

ধৰণৰ—

- সকলো ধাতুৰে ভূ-ধাতুৰ দৰে ৰূপ হোৱাৰ প্ৰৱণতাই দেখা দিলে। সংস্কৃতত ধাতুৰ পিছত ধাতুটোৰ গণ অনুযায়ী বিভিন্ন বিকৰণ যোগ হৈ ৰূপ হৈছিল। প্ৰাকৃতত ধাতু আৰু বিকৰণৰ সমীভৱন হৈ নতুন ক্ৰিয়ামূল সৃষ্টি হোৱাৰ প্ৰৱণতাৰ ফলত গণৰ গুৰুত্ব হ্ৰাস পালে।
- প্ৰাকৃতত বৈদিক-সংস্কৃতৰ ল-কাৰৰ বৈচিত্ৰ্য হ্ৰাস পালে। কাল প্ৰকাশক ল-কাৰৰ ভিতৰত কেৱল লট্ (বৰ্তমান) আৰু লৃট্ (ভৱিষ্যত) ৰক্ষিত হ'ল। অতীত কালসূচক ল-কাৰৰ ঠাইত কৃৎ-প্ৰত্যয়ৰ জৰিয়তে অতীত কাল বুজোৱা ৰীতি প্ৰতিষ্ঠিত হ'ল।
- সাহিত্যিক প্ৰাকৃতৰ স্তৰত আত্মনেপদ বিভক্তি সম্পূৰ্ণ লোপ পালে।
- শব্দৰূপৰ দৰে ধাতুৰূপতো বিকল্প বিভক্তিৰ ব্যৱহাৰ হ'বলৈ ল'লে।
- শব্দৰূপ আৰু ধাতুৰূপ উভয়তে দ্বিবচন লুপ্ত হ'ল আৰু বহুবচনে তাৰ স্থান ল'লে।

ধাতুৰূপৰ বিভক্তিৰ তালিকা ঃ

(ক) লট্ (বৰ্তমান)

	একবচন	**বহুবচন**
প্ৰথম পুৰুষ	ই (দি)	ন্তি
মধ্যম পুৰুষ	সি	হ (ধ)
উত্তম পুৰুষ	মি	মো

(খ) লোট্ (অনুজ্ঞা)

	একবচন	**বহুবচন**
প্ৰথম পুৰুষ	উ (দু)	ন্ত
মধ্যম পুৰুষ	সু (শু)	হ (ধ)
উত্তম পুৰুষ	মু	মো

(গ) লৃট (ভৱিষ্যৎ)

	একবচন	**বহুবচন**
প্ৰথম পুৰুষ	স্সই (স্সদি)	সসন্তি (শ্শন্তি)
মধ্যম পুৰুষ	স্সদি (শ্শশি)	স্সহ (স্সহ), (স্সধ)
উত্তম পুৰুষ	স্সামি, সসং (শশং)	সসামো (শ্শামো)

নামধাতু ঃ

প্ৰাকৃতৰ নামমূলত '-আঅ' আৰু '-ৰে' বিকৰণ যোগ কৰি নামধাতু গঠন কৰা হয়, যেনে— সুখায়তি > সুহাঅই (মাহাৰাষ্ট্ৰী),

সুহাঅদি (শৌৰসেনী)।

ইয়াৰে 'সুহ' (< সুখ) ধাতু; 'আঅ' = নামধাতুৰ বিকৰণ; '-ই' = বৰ্তমান কালৰ প্ৰথম পুৰুষৰ একবচনৰ বিভক্তি।

অসমাপিকা ৰূপ ঃ

প্ৰাকৃতত অন্ত (শতৃ) আৰু মান্ (শানচ্) প্ৰত্যয়ৰ যোগত বৰ্তমান কালৰ কৃদন্ত পদ গঠন কৰা হয়, যেনে— জাণন্ত, পেচ্ছমান ইত্যাদি।

প্ৰাকৃতত অতীত কালৰ কৃদন্ত পদ গঠনৰ প্ৰত্যয় তিনিটা— ন, ইত, ত (ক্ত)। ভৱিষ্যত কৃদন্ত গঠনৰ প্ৰত্যয়ো তিনিটা— ৰ্ব, অণীয় ঁ অনিজ্জ আৰু য্য বা জ্জ।

নিজন্ত ধাতু (পাঁচনী ধাতু) ঃ

প্ৰাকৃতত নিজন্ত ধাতু গঠনৰ প্ৰত্যয় '-এ' আৰু -েৱঁ –আৱে, যেনে— হাসয়তি > হাসেই, হাসাৱেই; কাৰয়তি > কাৰেই, কাৰাৱেই ইত্যাদি।

৯.৪ অপভ্ৰংশ-অৱহট্ঠ ভাষা

ভাৰতীয় আৰ্যভাষাৰ বিকাশৰ প্ৰক্ৰিয়াত মধ্য ভাৰতীয় আৰ্য ভাষাৰ শেষ স্তৰটোক পণ্ডিতসকলে 'অপভ্ৰংশ' নাম দিছে। গ্ৰীয়ৰ্ছন, পিশেল, সুনীতি কুমাৰ চেটাৰ্জী আদি পণ্ডিতসকলৰ মতে, প্ৰত্যেক সাহিত্যিক-প্ৰাকৃতেই সময়ৰ লগে লগে যি সৰল ৰূপলৈ পৰিৱৰ্তিত হৈছিল আৰু সিয়েই অপ্ৰভ্ৰংশ। অপভ্ৰংশ স্তৰৰ পৰাই আধুনিক ভাৰতীয় ভাষাবোৰৰ বিকাশ হৈছে। ওপৰত যি পাঁচটা সাহিত্যিক-প্ৰাকৃতৰ বিষয়ে আপুনি পঢ়ি আহিছে, সেই পাঁচটা সাহিত্যিক প্ৰাকৃতৰ পৰাই পাঁচটা অপভ্ৰংশৰ বিকাশ হোৱা বুলি ভবা হয়, যেনে—

মাহাৰাষ্ট্ৰী প্ৰাকৃত	>	*মাহাৰাষ্ট্ৰী অপভ্ৰংশ
শৌৰসেনী প্ৰাকৃত	>	শৌৰসেনী অপভ্ৰংশ
মাগধী প্ৰাকৃত	>	*মাগধী অপভ্ৰংশ
অৰ্ধ-মাগধী প্ৰাকৃত	>	*অৰ্ধ মাগধী অপভ্ৰংশ
পৈশাচী প্ৰাকৃত	>	*পৈশাচী অপভ্ৰংশ।

(শৌৰসেনীৰ বাহিৰে বাকীবোৰ প্ৰাকৃতৰ অপভ্ৰংশ স্তৰৰ কোনো নিদৰ্শন পোৱা হোৱা নাই। ই ভাষাত্ত্ববিদসকলৰ অনুমান ভিত্তিক সিদ্ধান্তহে। ইয়াত*চিহ্নই তেনে অনুমানকে বুজাইছে।)

অপভ্ৰংশ স্তৰটোৰ সময় ধৰা হয় খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টীয় দশম শতিকা। এই স্তৰটোক আকৌ দুটা ভাগত ভাগ কৰা হৈছে— (ক) প্ৰাচীন অপভ্ৰংশ আৰু (খ) অৰ্বাচীন অপভ্ৰংশ বা অৱহট্ঠ।

অপভ্ৰংশ শব্দটো প্ৰথম ব্যৱহাৰ কৰিছিল 'মহাভাষ্য'-ৰ ৰচক খ্ৰীষ্টীয় প্ৰথম শতিকাৰ বৈয়াকৰণ পতঞ্জলিয়ে। তেওঁ অৱশ্যে সংস্কৃত ভিন্ন বা সংস্কৃতৰ বিকৃত প্ৰয়োগক বুজাবলৈ এই অভিধাটো ব্যৱহাৰ কৰিছিল। তেওঁৰ মতে, সংস্কৃত শাস্ত্ৰজ্ঞানৰ ভাষা, আনহাতে অপভ্ৰংশ হ'ল শাস্ত্ৰহীনৰ ভাষা। সেয়ে হ'লেও, পাছলৈ মধ্য ভাৰতীয় আৰ্য ভাষাৰ অন্তিম স্তৰটোক বুজাবলৈ এই অভিধাটোৰ প্ৰয়োগ হ'বলৈ লয়। সাহিত্যিক প্ৰাকৃতৰ দৰে ৰীতিবদ্ধ মান্যৰূপ সৃষ্টিৰ বিপৰীতে

জনগণৰ দৈনন্দিন ব্যৱহাৰৰ ভাষাটোৰ কিন্তু সৰলতামুখী বিকাশ অব্যাহত আছিল। লাহে লাহে এই কথ্যৰূপটোতো প্ৰথমে লোকসাহিত্য আৰু পাছলৈ ধৰ্মীয় সাহিত্যও (বিশেষতঃ জৈনধৰ্মৰ সাহিত্য) সৃষ্টি হ'বলৈ ধৰে। এই প্ৰক্ৰিয়াটো সাহিত্যিক-প্ৰাকৃতৰ যুগতে চলি আছিল। সেই বাবে চণ্ড, হেমচন্দ্ৰ, মাৰ্কণ্ডেয় আদি প্ৰাকৃত ব্যাকৰণবিদে অপভ্রংশক এটা স্বতন্ত্ৰ প্ৰাকৃত ভাষা হিচাপে আলোচনা কৰিছে। সংস্কৃত আলংকাৰিক দণ্ডীযেও প্ৰাকৃত আৰু অপভ্রংশক পৃথক ভাষাৰূপে চিহ্নিত কৰিছে। তেওঁ কাব্যত ব্যৱহৃত 'আভিৰ' আদিৰ ভাষাকে অপভ্রংশ বুলিছে। অৰ্থাৎ অপভ্রংশ প্ৰাকৃতৰে এক প্ৰকাৰভেদ—এনে এটা ধাৰণাৰ প্ৰচলন আছিল। সেয়ে হ'লেও, সাহিত্যিক প্ৰাকৃতৰ দৰে অপভ্রংশ ভাষাও আচলতে সাহিত্যিক প্ৰাকৃতৰ দৰে ভাষাৰ কথিত ভাষাৰ সাহিত্যিক মৰ্যাদাপ্ৰাপ্ত এটা মান্যৰূপহে। ইয়াক সাহিত্যিক আৰু ব্যাকৰণবিদসকলৰ সচেষ্ট নিৰ্মিতি বুলিব পাৰি।

প্ৰাচীন অপভ্রংশত সাহিত্যাদি ৰচিত হোৱাৰ সমান্তৰালভাৱে জনসাধাৰণৰ দৈনন্দিন বাগ্-ব্যৱহাৰত প্ৰচলিত ভাষাটো পুনৰ সৰল হ'ল আৰু তাতো লৌকিক গীত-পদ ৰচিত হ'বলৈ ল'লে। এই ৰূপটোকে 'অৱহট্‌ঠ' বোলা হৈছে। পোনতে এই শব্দটো প্ৰাকৃত বা অপভ্রংশৰ 'বিকৃত' ৰূপক বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। মুঠতে 'অৱহট্‌ঠ' হ'ল অৰ্বাচীন অপভ্রংশ বা লৌকিক বা দেশী ভাষা। কালিদাসৰ 'বিক্ৰমোৱৰ্শীয়ম্' নাটত অপভ্রংশত ৰচিত কেইটিমান গীত আছে। এইবোৰ যদি প্ৰক্ষিপ্ত নহয়, তেন্তে অপভ্রংশৰ উদ্ভৱৰ সময় পঞ্চম শতিকা হ'ব পাৰে। সি যি কি নহওক, পণ্ডিতসকলে অপভ্রংশৰ সময় এনেদৰে নিৰ্ধাৰণ কৰিছে—

প্ৰাচীন অপভ্রংশ— খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টীয় অষ্টম শতিকা।

অৰ্বাচীন অপভ্রংশ বা অৱহট্‌ঠ— খ্ৰীষ্টীয় অষ্টম শতিকাৰ পৰা খ্ৰীষ্টীয় দশম শতিকা।

অপভ্রংশ ভাষাৰোৰৰ ভিতৰত শৌৰসেনী অপভ্রংশ সৰ্বভাৰতীয় স্তৰত সাহিত্য চৰ্চাৰ মাধ্যম হৈ উঠিছিল। একাদশ শতিকাৰ প্ৰাকৃত বৈয়াকৰণ পুৰুষোত্তমে অপভ্রংশৰ তিনিটা আঞ্চলিক ৰূপ উল্লেখ কৰিছে— (ক) নাগৰক, (খ) ব্ৰাচড়ক আৰৰু (গ) উপনাগৰক। য়াকোবি, গ্ৰীয়ৰ্ছন আদি আধুনিক পণ্ডিতেও এই বিভাজন মানি লৈছে আৰু নাগৰক, উপনাগৰক আৰু ব্ৰাচড়ক আঞ্চলিক ৰূপৰ ভৌগোলিক অৱস্থিতি ক্ৰমে গুজৰাট, ৰাজস্থান, পাঞ্জাব আৰু সিন্ধুদেশ বুলি ভাবে।

অপভ্রংশ ভাষাৰ প্ৰসিদ্ধ গৱেষক G. V. Tagare-এ এই ভাষাক তিনিটা আঞ্চলিক ৰূপত ভাগ কৰিছে—

পূৰ্বী ঃ (মগধীয় ভাষাগুচ্ছৰ পূৰ্বৰূপ),
পশ্চিমী ঃ (হিন্দী-গুজৰাটী ভাষাৰ মূল),
দক্ষিণী ঃ (মাৰাঠী ভাষাৰ মূল)।

অপভ্রংশ আৰু অৱহট্‌ঠ ভাষাত ভালেমান উৎকৃষ্ট সাহিত্য ৰচিত হৈছিল। কালিদাসৰ পূৰ্বোল্লিখিত 'বিক্ৰমোৱৰ্শীয়ম্' নাটৰ কেতবোৰ গীতত, 'বেতাল পঞ্চৱিংশতি'ত অপভ্রংশত ৰচিত শ্লোক পোৱা গৈছে। জৈন সাহিত্যৰ ভিতৰত স্বয়ম্ভূ বিৰচিত 'পউমচৰিঅ', হৰিভদ্ৰৰ 'নেমিণাহচৰিঅ', ৰামসিংহৰ 'পাহুদদোহা' আদি উল্লেখযোগ্য।

অপভ্রংশ স্তৰৰ শেষ ভাগত ৰচিত আব্দুৰ ৰহমানৰ 'সন্দেশ ৰাশক' এখন উৎকৃষ্ট দূতকাব্য। এই ভাষাত ৰচিত আন এখন উল্লেখযোগ্য কাব্য হ'ল 'প্রাকৃত পৈঙ্গল'। অপভ্রংশৰ অন্তিম স্তৰ অৱহট্‌ঠত বিদ্যাপতিয়ে 'কীর্তিলতা' আৰু 'কীর্তিপতাকা' নামৰ দুখন উৎকৃষ্ট কাব্যগ্রন্থ ৰচনা কৰে।

৯.৪.১ অপভ্রংশ ভাষাৰ সাধাৰণ বৈশিষ্ট্য

ধ্বনিগত ঃ

➢ অপভ্রংশ স্তৰত ধ্বনিগত পৰিৱর্তন ব্যাপক ৰূপত সংঘটিত হয়। এটা স্বৰৰ ঠাইত আন এটা স্বৰৰ ব্যৱহাৰ অপভ্রংশৰ মনকৰিবলগীয়া বিশেষত্ব, যেনে—

প্রাকৃত ঃ তিণ > অপভ্রংশ ঃ তিণ û তণু

পুট্‌ঠি > পট্‌ঠি û পিট্‌ঠি û পুট্‌ঠি

➢ অপভ্রংশ স্তৰত অন্ত্যস্থানৰ ই-কাৰ আৰু উ-কাৰ অনুনাসিক হ'ল, যেনে— ভনতি > ভণহিঁ।

➢ অন্ত্যস্থিত দীর্ঘস্বৰ হ্রস্ব হ'ল, যেনে— কমলা > কমল, সন্ধ্যা > সঞ্ঝ, ইত্যাদি।

➢ উ-কাৰৰ পূর্বৱর্তী ম-লোপ পালে, যেনে— যমুনা > জউণা, দুর্গম > দুগ্‌গউ।

➢ ব্যঞ্জন ধ্বনিৰ ক্ষেত্রতো দেখা যায় স্বৰমধ্যৱর্তী -ম- > -ৱঁ- হ'ল, যেনে— কুমৰ > কুৱঁৰ; গ্রাম > গাৱঁ, ইত্যাদি।

➢ যুগ্ম ব্যঞ্জনৰ এটা লোপ পালে আৰু তাৰ ক্ষতিপূৰণ হিচাপে পূর্বৱর্তী হ্রস্বস্বৰ দীর্ঘ হ'ল, যেনে— সহস্র > সহাস।

➢ শ, স, ষ ধ্বনি 'হ' ধ্বনিলৈ পৰিণত হোৱাৰ প্রৱণতা দেখা গ'ল, যেনে— এষ- > এহ-, দ্বাদশ বাৰহ, ইত্যাদি।

শব্দৰূপ ঃ

শব্দৰূপৰ পূর্বৰ বৈচিত্র্য নোহোৱা হ'ল, সকলো শব্দৰূপেই অ-কাৰান্ত শব্দৰ দৰে হ'ল। বিভিন্ন কাৰকত বিভক্তিৰ পৰিৱর্তে অনুসর্গৰ ব্যাপক প্রয়োগ হ'ল। স্ত্রীলিংগ শব্দই পুংলিংগৰ ৰূপ ল'লে। ক্লীৱলিংগ নোহোৱা হ'ল। হ্রস্ব-দীর্ঘৰ পার্থক্য নথকাত লিংগৰ পার্থক্যও লোপ পালে। কেৱল ঈ-যোগেৰেও স্ত্রীলিংগ শব্দৰ সাধন হোৱা দেখা গ'ল, যেনে— পৃষ্ঠ > পুট্‌ঠ > স্ত্রী. পুট্‌ঠী।

ধাতুৰূপ ঃ

কাল আৰু ভাব প্রকাশক ল-কাৰৰ সীমিত প্রয়োগ অপভ্রংশৰ ধাতুৰূপৰ প্রধান বৈশিষ্ট্য। অপভ্রংশত ৰক্ষিত ল-কাৰ প্রধানকৈ তিনিটা— লট্‌ (বর্তমান, নির্দেশক), লোট্‌ (অনুজ্ঞা), লৃট্‌ (সাধাৰণ ভৱিষ্যৎ)। ধাতুৰূপৰ বিভিন্ন বিভক্তিসমূহ হ'ল —

লট্ (কর্তৃবাচ্য)

	একবচন	বহুবচন
প্রথম পুৰুষ	ই, এ	হিঁ
মধ্যম পুৰুষ	হি	হু
উত্তম পুৰুষ	উঁ	হুঁ

লোট্ (কতৃবাচ্য)

	একবচন	বহুবচন
প্রথম পুৰুষ	উ	ন্তু
মধ্যম পুৰুষ	হি, সু	হ, হু
উত্তম পুৰুষ	মু	ম্হ

লৃট্ (কতৃবাচ্য)

	একবচন	বহুবচন
প্রথম পুৰুষ	সই	হিন্তি, হিহিঁ
মধ্যম পুৰুষ	হিসি	হিহ
উত্তম পুৰুষ	হিমি	হসুঁ, স্সহুঁ

ধাতুৰূপ

লট্ – √পুচ্ছ

	একবচন	বহুবচন
প্রথম পুৰুষ	পুচ্ছই	পুচ্ছহিঁ
মধ্যম পুৰুষ	পুচ্ছহি	পুচ্ছহু
উত্তম পুৰুষ	পুচ্ছউঁ	পুচ্ছহুঁ

লোট্

	একবচন	বহুবচন
প্রথম পুৰুষ	পুচ্ছউ	পূচ্ছন্ত
মধ্যম পুৰুষ	পুচ্ছহি, পুচ্ছসু	পুচ্ছহ, পুচ্ছহু
উত্তম পুৰুষ	পুচ্ছমু	পুচ্ছম্হ

লৃট্ √কৃ (কৰ)

	একবচন	বহুবচন
প্রথম পুৰুষ	কৰীসই	কৰিহিন্তি, কৰিহিহিঁ
মধ্যম পুৰুষ	কৰিহিসি	কৰিহিহ
উত্তম পুৰুষ	কৰিহিমি	কৰিস্হুঁ, কৰীহসুঁ



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'প্ৰাকৃত' অভিধাটোৱে মধ্য ভাৰতীয় আৰ্যভাষাৰ প্ৰায় ডেৰ হাজাৰ বছৰীয়া ইতিহাসৰ আটাইবোৰ ভাষাৰূপ সামৰি ল'লেও প্ৰকৃতপক্ষে ই সাহিত্যিক-প্ৰাকৃতসমূহকহে বিশেষভাৱে বুজায়।
- সাহিত্যিক প্ৰাকৃত মুঠতে পাঁচটা— শৌৰসেনী, মাহাৰাষ্ট্ৰী, পৈশাচী, মাগধী আৰু অৰ্ধমাগধী।
- অশোকৰ সময়তে স্পষ্ট হৈ উঠা আৰ্যভাষাৰ আঞ্চলিক ঔপভাষিক ৰূপবোৰৰ পৰাই সাহিত্যিক প্ৰাকৃত ৰূপবোৰে বিকাশ লাভ কৰিছিল।
- সাহিত্যিক প্ৰাকৃতবোৰৰ আধাৰ হল তৎকালীন জনসাধাৰণৰ মাজত প্ৰচলিত কথিত আঞ্চলিক উপভাষাবোৰ। এইবোৰক বৈয়াকৰণসকলে ৰীতিসিদ্ধ ৰূপ দি সাহিত্যত ব্যৱহাৰ বাবে উপযোগী কৰি তুলিছিল। সাহিত্যৰ বুকুত আবদ্ধ হোৱাৰ পাছত এই ভাষাবোৰৰ পৰিৱৰ্তনৰ গতি স্তব্ধপ্ৰায় হৈছিল আৰু একে ৰূপতে প্ৰায় ছশ বছৰমান ধৰি চলি আছিল। আনহাতে ইয়াৰ মৌখিক ৰূপটোৰ মানুহৰ মুখ বাগৰি পৰিৱৰ্তন হৈছিল। এটা সময়ত এই মৌখিক ৰূপটোৱে অপভ্ৰংশ নাম পায়।
- অপভ্ৰংশ ভাষা মধ্য ভাৰতীয় আৰ্যভাষাৰ অন্তিম স্তৰ। প্ৰাকৃতৰ দৰে এই ভাষাও পোনতে জনগণৰ দৈনন্দিন কথ্য ভাষা আছিল। পাছত ই মুখ বাগৰি সৰল হৈ পূৰ্বৰূপৰ পৰা পৃথক হৈ পৰে। পাছত সাহিত্যৰ সৃষ্টি আৰুব্যাকৰণৰ নিয়মৰ মাজত আবদ্ধ হয়।
- বৈদিক ভাষাৰ ধ্বনিগত বৈশিষ্ট্য, শব্দৰূপ-ধাতুৰূপৰ বৈচিত্ৰ্য আৰু জটিলতা পালি, প্ৰাকৃত, অপভ্ৰংশ স্তৰত ক্ৰমে সৰল হৈ পৰিল। এই স্তৰৰ পৰাই কালক্ৰমত আধুনিক ভাৰতীয় আৰ্য ভাষাবোৰৰ উদ্ভৱ হয়।



৯.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

[1) গোস্বামী, উপেন্দ্ৰনাথ, 2000 ঃ *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ*। বৰুৱা এজেঞ্চি, গুৱাহাটী।

[2) ঠাকুৰ, নগেন, 1997=ঃ *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য*। বীণা লাইব্ৰেৰী, গুৱাহাটী¼

[3) শইকীয়া বৰা, লীলাৱতী, 2002 ঃ *সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ*। বনলতা, গুৱাহাটী ঃ¼

বাংলা গ্রন্থ ঃ

[4] মজুমদার, পরেশচন্দ্র, 1917 ঃ *সংস্কৃত ও প্রাকৃত ভাষার ক্রমবিকাশ*।

[5] সেন, সুকুমার, 1968 ঃ *ভাষার ইতিবৃত্ত*।

ইংৰাজী গ্রন্থ ঃ

(6) Biswas, Sukumar, 1970 & *A Comparative Old Indo-Aryan Grammar*, Bani Prakash, Pathsala, Guwahati.

[7] Pischel, R. (1981); *A Grammar of the Prakrit Language.*

[8] Sen, S. (1960) ; *A Comparative Grammar of Middle Indo Aryan.*

[9) Woolner, Alfred Cooper, 1917 ঃ *Introduction to Prakrit*. University of Lahore.



৯.৭ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ সাহিত্যিক প্রাকৃতৰ চমু পৰিচয়... ...সাহিত্যিক প্রাকৃতৰ পাঁচটা প্রকাৰৰ উল্লেখ... ...প্রত্যেকৰে দুটামান বৈশিষ্ট্যৰ উল্লেখ।



৯.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ সাহিত্যিক প্রাকৃতসমূহক কথ্যভাষা বুলিব পাৰিনে ? বিচাৰ কৰক।

প্রশ্ন ২ ঃ অপভ্রংশ মানে কি ?

প্রশ্ন ৩ ঃ মাহাৰাষ্ট্রী প্রাকৃতৰ গুৰুত্ব বিচাৰ কৰক।

প্রশ্ন ৪ ঃ মধ্য ভাৰতীয় আর্যভাষাৰ দ্বিতীয় স্তৰ বুলিলে কি ভাষাক বুজায় ? এই স্তৰৰ সাধাৰণ বৈশিষ্ট্যবোৰ উল্লেখ কৰক।

প্রশ্ন ৫ ঃ অৱহট্‌ঠ আৰু অপভ্রংশৰ সম্পর্ক বিচাৰ কৰক।

প্রশ্ন ৬ ঃ **চমুটোকা ঃ** ক) ক্রান্তি স্তৰৰ প্রাকৃত, খ) অর্ধ মাগধী প্রাকৃত
গ) শৌৰসেনী অপভ্রংশ, ঘ) প্রাকৃত ভাষাৰ স্বৰধ্বনি।

*** ***** ***